গল্প

# ।। অভিশপ্ত অমানিশা ।।

শ্ৰী হেমন্ত কলিতা
স্নাতক, তৃতীয় বৰ্ষ (কলা)

আলোচনীৰ পাতত গল্পটি পাই তাৰ মনটো আনন্দত নাচি উঠিছে। উঠিবৰে কথা। কলেজ এখনৰ আলোচনীৰ পাতত তাৰ হাতৰ সৃষ্টি এটি ছপা হৈ ওলাইছে। কিমান গৌৰৱৰ কথা। বহু কষ্ট হৈছিল তাৰ এই গল্পটি লিখোতে। এটি নিশা উজাগৰে কটাই দিছিল সি। টোপনিয়েও তাক আমনি কৰিবলৈ সিদিনা সাহস পোৱা নাছিল। লেম্পটোৱেও কোনো স্বাৰ্থ নোহোৱাকৈ পোহৰ বিলাই গৈছিল। মুঠতে সি সিদিনা এটি গল্প লিখাতহে ব্যস্ত।

............ কলেজ এখনৰ আলোচনীৰ পাতত তাৰ হাতৰ সৃষ্টি এটি ছপা হৈ ওলাইছে। কিমান গৌৰৱৰ কথা। বহু কষ্ট হৈছিল তাৰ এই গল্পটি লিখোতে। এটি নিশা উজাগৰে কটাই দিছিল সি। টোপনিয়েও তাক আমনি কৰিবলৈ সিদিনা সাহস পোৱা নাছিল। লেম্পটোৱেও কোনো স্বাৰ্থ নোহোৱাকৈ পোহৰ বিলাই গৈছিল ..........।

কলেজলৈ গৈ ন'টিছ বৰ্ডত থকা আলোচনী সম্পাদকৰ এখন 'জাননী' তাৰ চকু পৰিছিল। জাননীখনত আগন্তুক আলোচনী সংখ্যাটোৰ বাবে ছাত্ৰ-ছাত্ৰী সকলৰ পৰা গল্প, কবিতা, প্ৰবন্ধ আদি বিচৰা হৈছিল। লগে লগে তাৰ মনটোত কিবা এটা লিখাৰ হেঁপাহ বাৰুকৈয়ে জাগিছিল। কলেজত সি ঠিৰাং কৰিছিল - আজি সি এটি কিবা লিখিবই। ৰাতি সি পঢ়াৰ কথা একেবাৰে বাদ দি গল্প লিখাৰ কথা ভাবিলে। কিন্তু তাতে এটি সমস্যাৰ সৃষ্টি হ'ল। কিহৰ ওপৰত সি গল্প লিখিব? কি লিখিব? কিবা জানো তাৰ মনত খেলিব? আগতেও সি কেতিয়াবা লিখিবলৈ মন কৰিছিল যদিও সময়ত সিটো নহৈছিল। কিবা নহয় কিবা এটি উপসৰ্গই আহি লগ দিয়ে। কিন্তু আজি সি নেৰে। যেনেকৈয়ে নহওঁক কিবা এটা লিখিবই। এখিলা কাগজ আৰু কলমটো লৈ কিলাকুটিটো টেবুলত থৈ হাতখনেৰে মূৰটো খজুৱাই খজুৱাই সি ভাবিবলৈ ধৰিলে। নাই, তেনে কোনো আনুসংগিক বিষয় বা ঘটনা সি ঠিক কৰিব পৰা নাই। অৱশেষত তাৰ মনৰ উদয়াচলত এটি ভাৱ হ'ল। ভাৱ মানে সিহঁতৰ ওচৰৰে বিদ্যুৎহঁতৰ কথা তাৰ মনলৈ আহিল। সি এটি কাহিনী পাই গ'ল। সি জানে বাস্তৱত অলপ কল্পনা, ৰস আদি মিহলাই দেখোন গল্প লিখিব পাৰি। আন কথা বাদ দি বিদ্যুৎহঁতৰ ঘৰত ঘটি যোৱা ঘটনাটোকে গল্পৰ আকাৰত লিখাৰ বাবে লাগি গ'ল। ৰাতি ঘড়ীত কিমান বাজিছে, তাক ভাবিবলৈ পাহৰি গ'ল সি। মনৰ ভাৱবোৰ উকা কাগজখিলাত লিখাত কলমটোৱেও তাক সহায় কৰিছে। মুঠতে তাৰ কলমটোৱেও তাক আমনি কৰা নাই। কাগজত লগাৰ পিছত ইও যেন ৰোৱাৰ নামকে লোৱা নাই। সময়ৰ লগত সি তীব্ৰ গতিত কাগজত পৃষ্ঠা বঢ়োৱাত লাগি গৈছে। মনৰ ভাৱ আৰু কলমৰ আগৰ পৰা নিগৰা প্ৰতিটো শব্দই যেন কাগজত সহবাস কৰিছে। অৱশেষত সি ৰ'ল। অৰ্থাৎ কলমটো। কাহিনীৰ শেষত সি উপনীত হৈছে। মনেও তাক কৈছে - "ৰাজ আজিলৈ আৰু হ'ব! ইয়েই তোৰ গল্প।" সি সাৰ পোৱাযেন পালে। ইমানপৰে সি যেন আন কোনো স্বপ্ন ৰাজ্যতহে আছিল। গল্প লিখোতে লিখোতে এখন সৰু উপন্যাসিকাই হৈ গ'ল দেখোন। যি কি নহওঁক, সি ইয়াক কলেজৰ আলোচনীলৈ পঠাব। পিছদিনা সি পাণ্ডুলিপিটো ভালদৰে সজাই পৰাই এটি দীঘল খামত ভৰাই আলোচনীৰ সম্পাদকৰ ঠিকনাত থকা কলেজৰ বাকচটোত ভৰাই থৈ আহিছিল। আজি সেই গল্পটিকে কলেজ আলোচনীখনত পাই, তাৰ মনটো কেনেকুৱা লাগিছে তাক সি বৰ্ণনা কৰিব নোৱাৰে। গল্পটি সি আনে লিখা গল্পৰ দৰে আলোচনীখনত পঢ়িবলৈ ধৰিলে।

"ৰাস্তাটোৰ পৰা অলপ সোঁহাতে কেকুৰিটো ঘূৰি তিনিঘৰমান এৰি পিছৰটোৱেই বিদ্যুৎহঁতৰ ঘৰ। ঘৰ বুলিবলৈ এটি তিনিটা কোঠালীৰে সংলগ্ন জুপুৰী। চোতালখনৰ উত্তৰে পূৰা-পশ্চিমাকৈ ঘৰটোৱে সিহঁতক ৰক্ষণা-বেক্ষণা দি আহিছে। চোতালৰ পূৱফালে এটি সৰুকৈ বিদ্যুতে গোঁহাইঘৰ বনাইছে। মাক আৰু ভনীয়েকে সদায় তাত পূৱা, সন্ধিয়া চাকি-বন্তি দি সেৱা কৰে। দক্ষিণ ফালে গোহালীটো আৰু পশ্চিমফালটোত উদংভেটি এটি আছে। আগতে সিহঁতৰ গোহালীটো ইয়াতেই আছিল। দুবছৰ মান আগতে ঘৰটো দক্ষিণফালে নিছে, চোতালখনৰ আবুৰ ৰাখিবলৈ। ভেটিটোত সিহঁতে এতিয়া জলকীয়া, শাক-পাচলী, সৰু-সুৱা খেতি কৰে। পদূলিৰে সোমায়ে গোঁসাইঘৰটোৰ কাষতে এখনি ফুলনি। ফুলনি মানে গাঁৱৰ ইঘৰ-সিঘৰৰ পৰা ভনীয়েক জনীয়ে দুই-এটি সৰু-সুৱা ফুলৰ পুলি পুতি ঠাইডোখৰৰ উচিত মূল্য দিছে।

বিদ্যুতৰ দেউতাকে ৫ ফালংমান দূৰৰ এখন হাইস্কুলত শিক্ষকতা কৰে। তেখেতেই হৈছে ঘৰখনৰ একমাত্ৰ আৰ্জোতা। মাহৰ মূৰত চাৰি হেজাৰমান টকা পাই সেইখিনিৰে কিবাকৈ আনৰ ওচৰত হাত নপতাকৈ পেট পুৰাই আছে। বিদ্যুতৰ মাকজনীও অতি নম্ৰ আৰু সুগৃহিনী। চাৰিটি পৰিয়াল অতি আনন্দৰে আছে। বিদ্যুৎ বৰ্ত্তমান স্নাতকৰ ছাত্ৰ। যোৱাবেলি উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ১ম বিভাগত উত্তীৰ্ণ হৈ সিহঁতৰ অঞ্চলটোৰ একমাত্ৰ উচ্চশিক্ষানুষ্ঠান 'ৰঙিয়া কলেজ'ত নামভৰ্ত্তি কৰিছে। ভনীয়েক মিৰ্জু দ্বাদশ শ্ৰেণীৰ ছাত্ৰী। পঢ়াত দুয়ো ভাল।

দেউতাক কীৰ্তি বৰুৱাও আটাইৰে লগত সুখীয়েই আছিল। পিছে আজি ছমাহমান দৰমহা নোপোৱা বাবে মানুহজন চিন্তাত খীণাইছে। আগৰ সাচতীয়া বুলিবলৈ থকা টকাকেইটিও এইকেইদিনতে শেষ হ'ল। ইফালে বিদ্যুতৰ পৰীক্ষাৰ আৰু মিৰ্জুৰো ফৰ্ম ফিলাপৰ তাৰিখ দিছে। মাকক দেউতাকে সুধিছিল যদিও কোনো লাভ নহ'ল। আগতে মাকৰ লগতো দুই-এটকা আছিল যদিও, যোৱাবেলি বানপানীত হাঁহ,

পাৰ কেইটা মৰি থকাৰ পৰা এতিয়া এটা টকাও হাতত নপৰাই হৈছে। দেউতাকে আৰু একো নকৈ গধূলি ওলাই গৈছিল দৈনিক যোৱাৰ দৰে। ওচৰৰে ৰমেন হাজৰিকাৰ ল'ৰাটোক আজি দুবছৰ একেৰাহে পঢ়াই আছে কীৰ্ত্তি বৰুৱাই। ল'ৰাজন এইবেলি ক্লাছ নাইনৰ ছাত্ৰ। সন্ধিয়া হাজৰিকাই ঘৰলৈ পঢ়াবলৈ অহাটো বৰুৱাৰ বাবে এতিয়া দৈনিক ৰুটিনত পৰিণত হৈছে। লগে লগে গঢ়ি উঠিছে বৰুৱা আৰু হাজৰিকাৰ দুয়োঘৰৰ মাজত এটি নিবিড় আত্মীয়তা। বাটে - বাটে মাষ্টৰে ভাবি গ'ল আজি তেওঁ হাজৰিকাৰ পৰা পাৰিলে টকা অলপ আনিব। পিছত টকা পালে পৰিশোধ কৰিব।

মাষ্টৰে হাজৰিকাৰ ঘৰৰ পদূলিমুখৰ জপনা খন খুলি সোমায় গ'ল। সন্ধিয়া হোৱা বাবে হাজৰিকানীয়ে মন্দিৰত প্ৰাৰ্থনা কৰি ধূপ-ধুনাৰে পৰিবেশটো সুন্দৰ কৰি পেলাইছে। ধূনা আৰু ধূপৰ মিশ্ৰিত সুগন্ধ এটি মাষ্টৰৰ নাকত লাগিল। মনতে ভগৱন্তক সুঁৱৰি পঢ়ুওৱা কোঠাটোত তেওঁ সোমাল। হাজৰিকাৰ ল'ৰা জয়ন্তই ইতিমধ্যে মেজৰ ওচৰত আছিলেই। সদায় সি এইখিনি সময়ত পঢ়াতে ব্যস্ত থাকে। এনে এটি শান্ত পৰিবেশে মাষ্টৰৰ সমষ্ট ক্লেশ হৰি নিয়ে। ল'ৰাটোক পঢ়াই থকাৰ মাজতে হাজৰিকানীয়ে চাহ দি গ'ল। পঢ়ুওৱা শেষ হোৱাত মাষ্টৰে হাজৰিকাক মাত দি সমস্ত কথা ভাঙি পাতি কলে। অৱশেষত মাষ্টৰে বিদ্যুৎ আৰু মিৰ্জুৰ পৰীক্ষাৰ মাচুলৰ কথাও উল্লেখ কৰিলে।

মাষ্টৰৰ অৱস্থাৰ কথা বুজি হাজৰিকাই ভিতৰৰ পৰা টকা এহেজাৰ আনি মাষ্টৰক দি ক'লে - "বৰুৱা, আপুনি এইখিনি টকা মোক সুজিব নালাগে। মাথো বিদ্যুৎ আৰু মিৰ্জুক ভালদৰে পঢ়াই-শুনাই মানুহ কৰক। তেতিয়া মই মোৰ টকা কেইটা পোৱা যেন পাম। আৰু এটি কথা, আপুনি কিবা বিপদত পৰিলে মোক জনাব। পাৰ্য্যমানে 'মই সহায় কৰিম।'

বৰুৱাই এটি স্বস্তিৰ নিশ্বাস এৰিলে। তেওঁ হাজৰিকাক কি বুলি ধন্যবাদ জনাব, তাৰ ভাষা বিচাৰি নাপালে। হাজৰিকালৈ কৃতজ্ঞতা ভৰা মনটোলৈ বৰুৱা উভতি আহিল।

হাজৰিকাৰ পৰা অনা টকা কেইটাৰে বৰুৱাই বিদ্যুৎহঁতৰ পৰীক্ষাৰ মাচুল সোধালে। নিৰ্দ্দিষ্ট সময়ত সিহঁতে পৰীক্ষাত অৱতীৰ্ণ হ'ল। পৰীক্ষা সিহঁতৰ ভালেই হৈছে।

ইফালে মাষ্টৰৰ দৰমহা নোপোৱাৰ আজি প্ৰায় দহমাহ উকলি গ'ল। ঘৈণীয়েকৰ হাতৰ কাণৰ যি অলপ গহনা আছিল, তাকে ওচৰৰ মহাজনৰ তাত বন্ধকত ৰাখি কিবাকৈ চলি আছে মাষ্টৰৰ সংসাৰখন। হাজৰিকাৰ পৰাও মাহে ২০০.০০ টকাকৈ পায়। কিবাকৈ টনা আজোৰা কৰি চাৰিটি পৰিয়ালৰ মাষ্টৰৰ ঘৰখন বৰ্ত্তি আছে।

শিক্ষক সকলক দৰমহা নিদিয়া সংক্ৰান্তত ৰাজ্য জুৰি শিক্ষকসকলে ইতিমধ্যে আন্দোলন কৰি ফুৰিছে। কেতিয়াবা অসহযোগ,কেতিয়াবা সদৰস্থানত ধৰ্ণা, আনকি কোনো কোনো জিলাৰ শিক্ষকসকলে আমৰণ অনশনৰ দৰে কাৰ্য্যসুচীও লবলৈ বাধ্য হৈছে । পেটৰ তাড়নাত থাকিব নোৱাৰি ছাত্ৰৰ ঘৰত হাজিৰা কৰিবলৈকো বাধ্য হৈছে শিক্ষক সকল। ৰাজ্যৰ দুই এঠাইৰ পৰা দুই এজন শিক্ষকৰ আত্মহত্যাৰ কথাও বাতৰি কাকতৰ শিৰোনামা দখল কৰিছে। ৰাজ্য চৰকাৰে মাথো আলোচনাৰ আশ্বাস দি শিক্ষক সকলক আন্দোলন বন্ধ কৰিবলৈ অনুৰোধ জনাই আছে। দোকানীবোৰে মাল নিদিয়া হৈছে শিক্ষক সকলক। কাৰণ বাকীত মাল দি সিহঁতে বা চলিব কিদৰে? এটি জলন্ত সমস্যাত পৰিণত হোৱা এই আন্দোলনে ৰাজ্যজুৰি তোল-পাল লাগি পৰিছে। বিভিন্ন স্বেচ্ছাসেৱী সংগঠন ছাত্ৰ সন্থা আদিয়ে চৰকাৰক হেঁচা দি আহিছে শিক্ষকসকলৰ দাবী মানি ল'বলৈ। তথাপি



ৰঙিয়া মহাবিদ্যালয় আলোচনী

কাণ্ডজ্ঞানহীন এই চৰকাৰৰ কোনো ভ্ৰূক্ষেপেই নাই। অৱশেষত যেনিবা চৰকাৰ বাধ্য হ'ল শিক্ষকৰ দাবী মানি ল'বলৈ। আলোচনাৰ চৰ্তসাপেক্ষে বিগত চাৰিমাহৰ টকা মোকোলাই দি বাকীখিনি মাহে মাহে আদায় দিয়া হ'ব বুলি চৰকাৰে ঘোষণা কৰিলে। পৰিস্থিতিৰ সামান্য উন্নতি ঘটিল।

ইফালে কীৰ্ত্তি বৰুৱাই টকা পাব বুলি জানিব পাৰি ক'ত ক'ত ধাৰ আছে, ক'ত কিমানকৈ দিব, তাৰ এটি থুল-মূল হিচাব কৰিলে। মনটো যেন অলপ পাতল পাতল অনুভৱ কৰিছে বৰুৱাৰ দৰে অসংখ্য নিৰ্য্যাতিত শিক্ষকে।

আজি বৰুৱাই যোৱা চাৰিমাহৰ দৰমহাৰ টকাকেইটা লৈ সন্ধিয়াকৈ ঘৰ পালে। ঘৰৰ আটায়ে তেখেতলৈ বাট চাই আছিল। বিদ্যুৎ আৰু মিৰ্জুৱে দেউতাকক আৱৰি ধৰিলে। মাকে পাক ঘৰলৈ চাহ বনাবলৈ বুলি আগবাঢ়িল। ক'ত কষ্ট কৰি মানুহটো আহিছে, দিনটো ক'ৰবাত কিবা খাইছেনে নাই? চাহটোপ পালে অন্ততঃ ভাগৰ অলপ কমিব। বৰুৱানীয়ে গিৰিয়েক আৰু ল'ৰা-ছোৱালী দুটাক সিহঁতৰ বাহিৰা কোঠাটোলৈ আহি চাহ দিলে। আটায়ে চাহ খোৱাত লাগিল। মাজতে বিদ্যুতে ক'লে - "দেউতা মোৰ হ'লে লংপেন্টটোৰ তপিনাৰ ফালে উখহি গৈছে। তাপলি মাৰি চলিলোঁ এই কেইদিন। অহাকালি এটি লংপেন্ট চিলাব লাগিব। দুশমান হলে হৈ যাব।" মিৰ্জুয়েও ককায়েকৰ পিছতে আপত্তি দৰ্শালে - অকলে দাদাক দিলে নহ'ব, মোকো এটি ভাল ফ্ৰক আনি দিব লাগিব। যোৱাবেলি বিহু, পূজা একোতে একো লোৱা নহ'ল। কাইলৈ কিন্তু দিব লাগিব।"

মাকে কিবা ক'ব খুজিও নক'লে। তেওঁ ভাবিলে, এইবাৰলৈ বাৰু ইহঁতেই লওঁক। বাকী থকা ধাৰখিনি মাৰিব পাৰিলে আগলৈও তেওঁ ল'ব পাৰিব। বন্ধকত থকা হাতৰ, কাণৰ খিনিৰ কথা ক'ব বিচাৰাতে দেউতাকে মাত লগালে - "তহঁতৰ বাৰুহ'ব। মাৰৰ গহনাখিনিও মোকোলাব লাগিব নহয়, তাতে ধৰ্মেশ্বৰ দোকানীৰ বাকীখিনিও দিব লাগিব, নহলেনো আগলৈ ক'ত মাল পাবি? আৰু দুই এদিনতে তহঁতৰ ৰিজাল্টও ওলাবৰ হ'ল। তেতিয়া নতুন কলেজত নাম ভৰ্ত্তি কৰাবলৈ জানো টকা নালাগিব। আৰু বা কেইমাহ দৰমহা নাপাও, তাৰো কোনো ইয়ত্বা নাই! সেয়ে ইয়াৰেই চলিব লাগিব।" কথা-বতৰা পাতোতে পাতোতে বহুখনি ৰাতিয়েই হ'ল। মুঠতে সিহঁতৰ ঘৰত আজি এইখন সৰু-সুৰা বৈঠকে হ'ল। মাকেও ভাত বাঢ়ি আটাইকে মাতিলে। ভাত-পানী খাই আটায়ে লগে ভাগে শোৱাপাটি পালেগৈ। মাষ্টৰে এটি স্বস্তিৰ নিঃশ্বাস এৰি দেহটো বিচনাত এৰি দিলে। মনতে কিছুমান কথা ভাবি থাকোতে কেতিয়া চকুকেইটা মুদ খালে গমকে নেপালে তেওঁ।

এনেতে দুৱাৰত টোকৰ পৰাত মাষ্টৰৰ কাণত· পৰিল। চিলমিলিয়া টোপনিৰ বাবে তেওঁ ঠিক ধৰিব পৰা নাই। টক্.......টক্...........টক্। আকৌ জোৰেৰে টোকৰ পৰিবলৈ ধৰিলে। ওচৰৰ কোঠাটোৰ পৰা বিদ্যুতেও শুনিলে এই শব্দ। ঃকোন? - বৰুৱা মাষ্টৰে বিছনাৰ পৰা মাত লগালে।

ঃ আমিহে, অলপ উঠকচোন। বাহিৰৰ পৰা এটি গলগলীয়া মাত তেওঁলোকে শুনিবলৈ পালে।

থামি থকা লেম্পটোৰ শিহাডাল বঢ়াই ল'লে তেওঁ। লাহে লাহে বিচনাৰ পৰা নামি খোজ ল'লে দুৱাৰৰ ফালে। আনটো ৰুমৰ পৰা বিদ্যুতেওঁ আহি দেউতাকৰ কাষ পালে। মাকৰ লগত মিৰ্জুৰ কোনো সাৰি শব্দই নাই। নিশ্চিত মনে শুই আছে তাই। মাকে সাৰ পাইছে, যদিও মতা নাই।

ঃ টক্ .......... টক্ ......... টক্। দুৱাৰত আকৌ শব্দ শুনি মাষ্টৰে দৰ্জাখন খুলি দিলে। এনেতে

পাঁচ - ছয়জনমান ডেকা ল'ৰা হুৰ-মূৰকৈ সোমাই গ'ল কোঠাটোত। মাষ্টৰে বাধা দিয়াৰ কোনো সুযোগেই নাপালে।

ঃ কোন আপোনালোক? কিয় আহিছে এই নিশা ইয়ালৈ? কি বিচাৰিছে আপোনালোকে? বিদ্যুতে চিঞৰি উঠিল।

ইতিমধ্যে ল'ৰাকেইজনে সকলোবোৰ ওলট-পালট কৰিবলৈ ধৰিলে। বিচনাৰ কাপোৰবোৰ দলিয়াই ৰুমটোত এটি বিশৃংখলাৰ সৃষ্টি কৰিলে। বিদ্যুতে আৰু বৈ নাথাকিল। বেৰৰ কোণত থকা লাঠি ডালেৰে এটি কোব সোধালে সি। এজনৰ গাত লাগিল কোবটো। লগে লগে আন এজনে তাক থাপ মাৰি ধৰি লাঠিডাল দলিয়াই দিলে। লাঠিডাল গৈ টেবুলত থকা লেম্পটোত লাগি চিমনিটো ভাঙি নুমাই গ'ল। অন্ধকাৰে আৱৰি ধৰিলে ৰুমটো। মাষ্টৰেও ল'ৰাকেইজনৰ লগত হতা-হতি কৰিবলৈ ধৰিলে।

ঃ থিচিউ ...

লগে লগে এটি বিকট চিএঃৰ শুনিলে আটায়ে। ইফালে 'মাক আৰু ভনীয়েকক বান্ধি পেলাইছিল সিহঁতে। মুখত সোপা দি পিৰালীৰ খুটাকেইটাত বান্ধি থৈছিল দুয়োকে। এটি কুণ্ডাৰ কোব আহি মাষ্টৰৰ মূৰত পৰিল। লগে লগে মাষ্টৰ বেহুচ হৈ গ'ল। ল'ৰা কেইটাই সকলো লণ্ড-ভণ্ড কৰিলে। বিচনাৰ গাৰুৰ তলত থকা দৰমহাৰ টকা কেইটাও সিহঁতে জেপত ভৰালে। সকলোবোৰ লুটি লৈ সিহঁতে তাৰ পৰা পলাল।

গুলিৰ শব্দ শুনি গাৱঁৰ মানুহবোৰৰ মাজতো আতংকৰ সৃষ্টি হ'ল। আটায়ে মাষ্টৰৰ ঘৰৰ ফালে দৌৰ দিলে। ক'ত কি হৈছে কোনেও ধৰিব পৰা নাই। টৰ্চ এটি হাতত লৈ গাৱঁৰ ল'ৰা কনক আগবাঢ়ি গ'ল। মাষ্টৰৰ ঘৰত সোমায়েই টৰ্চৰ পোহৰত বেহুচ হৈ পৰি থকা মাষ্টৰক দেখা পালে। মানুহবোৰে মাষ্টৰৰ মূৰত তেল-পানী দিলে। কনকে আগুৱাই গৈ মাক আৰু মিৰ্জুৰ বান্ধ দুটি খুলি দিলে। পিছ দিয়াৰ লগে লগে তাৰ ভৰিখন ক'ৰবাত লগা যেন পালে সি। ঘূৰি চাই যি দৃশ্য দেখিলে, তাক আৰু কনকে চাই থাকিব নোৱাৰিলে। সি দেখিলে, তেজেৰে লুতুৰি পুতুৰি হৈ মজিয়াত এয়া বিদ্যুতৰ এচেতন দেহ। দাংকোঁলাকৈ সি বিদ্যুতক বাহিৰলৈ উলিয়াই আনিলে। লগে লগে তাত হুৰা-দুৰা লাগি পৰিল। বিদ্যুতক মাকে কনকৰ পৰা একে আচোৰে টানি হাওৱাৰে কান্দিবলৈ ধৰিলে। মিৰ্জুৱেও কান্দিবলৈ ধৰিলে।

ইতিমধ্যে ৰাতি পুৱাবলৈ আৰম্ভ কৰিছে। গাৱঁখনত আজি এটি শোকৰ সূৰ্য্যৰ ভুমুকি মাৰিছে। য'ত আছে বিদ্যুতৰ হত্যাৰ ক্ষোভ। মাষ্টৰক দুই এজনে ওচৰৰ হাস্পাতালখনলৈ নিয়ালে। বহু চিকিৎসাৰ মূৰত মাষ্টৰে চেতনা পালে, যদিও ডাক্তৰে ঘোষণা কৰিলে যে মাষ্টৰে মানসিক ভাৰসাম্য হেৰুৱাই পেলাইছে।

আগদিনা সকলো আশাই যেন এটি অভিশপ্ত নিশাতেই শেষ হৈ গ'ল। পিছদিনা হাজৰিকাই আহি বিদ্যুতৰ মাক আৰু মিৰ্জুক তেওঁলোকৰ ঘৰলৈ লৈ গ'ল, আৰু দেউতাক কীৰ্তি বৰুৱাক তেজপুৰৰ পগলা ফাটেকলৈ নিয়াৰ ব্যৱস্থা কৰিলে।

কেইদিনমান পিছত পৰীক্ষাৰ ৰিজাল্ট ওলাল। বিদ্যুতৰো ৰিজাল্ট ওলাল। সি অৰ্থনীতিত মেজৰসহ সুখ্যাতিৰে উত্তীৰ্ণ হৈছে। আজি যেন গাৱঁখনত আনন্দৰ উলাহ নাই। আছে মাথো সেই অভিশপ্ত নিশাটিৰ স্মৃতি আৰু বিদ্যুতৰ হত্যাৰ .......... । ❑❑





গল্প

# মৰা সুঁতীৰ সোঁত

শ্ৰী প্ৰতুল ভূঞা
*স্নাতক, দ্বিতীয় বৰ্ষ*

সন্ধিয়াৰ বন্তি গছি জ্বলাই স্বপ্নাই আকৌ ওলাই আহিল পদূলি মুখলৈ। তাইৰ এটাই মাথো আক্ষেপ সুশান্ত কেতিয়া উভতি আহিব তাইৰ ওচৰলৈ? সন্ধিয়া লাগি ভাঙিবৰ হ'ল তথাপিও দেখো তাৰ আজি দেখা-দেখি নাই। অবান্তৰ চিন্তাবোৰে বিৰাট দৈত্যটোৰ দৰে কাল মূৰ্ত্তি ধৰি থাকিবা নেকি, ভিতৰলৈ নামাতা?" - অভিমানৰ সুৰত কয় সুশান্তই।

দুয়োজনে হাঁহি হাঁহি ভিতৰলৈ যায়। সুশান্তই যদিও আনন্দত হাঁহিছে তথাপি সেই হাঁহি তাৰ অন্তৰৰ গভীৰতম তলিৰ পৰা ওলাই অহা নাই। সি যিমানে স্বপ্নাৰ ওচৰলৈ যায় সিমানেই তাৰ বুকুখনে ধপ্‌-

> ................. কথাখিনি শুনাৰ লগে লগে সুশান্তৰ বুকুখন ফাটি-ফুটি চূৰ্ণ-বিচূৰ্ণ হৈ গ'ল। চিঞৰি চিঞৰি তাৰ কান্দিবৰ মন গ'ল। সি যেন আজি গোটেই বিশ্বকে চিঞৰি চিঞৰি ক'ব - "যদি তোমাৰ টকা নাই, তুমি বিয়া নকৰাবা, বিয়াৰ পাছত এটি কাৰুণ্যময় জীৱন যাপন কৰাতকৈ বৰলা জীৱনে শ্ৰেয় .........।"

তাইৰ ফালে আগবাঢ়ি আহিছে। এন্ধাৰবোৰে পোহৰবোৰক গিলি পেলালে। লগে লগে ফেচাঁ, বিৰালি আৰু শিয়ালবোৰে বিকৃত মাতেৰে কাৰোবাক চিঞৰি মাতিছে। বোধহয় এন্ধাৰবোৰ ডাঠ হৈ আহিবৰ বাবে প্ৰকৃতিক বাৰে বাৰে অনুৰোধ কৰিছে।

হঠাৎ তাইৰ ওচৰত সুশান্তৰ গল খেকৰণি শুনি তাইৰ সেমেকা মুখ খনিত হাঁহি বিৰিঙি উঠিল।

"স্বপ্না কিয় এনেদৰে বৈ আছা?"

মৰম সনা মাতেৰে কয় সুশান্তই।

"তোমাৰ অপেক্ষাতেই।" মিচিকিয়া হাঁহি মাৰি মৰমসনা মাতেৰে স্বপ্নাই উত্তৰ দিলে। "বৈ ধপাবলৈ ধৰে। কাৰণ সুশান্তই আজি স্বপ্নাক কি বুলি ক'ব? বহুতবোৰ প্ৰশ্নই তাৰ মূৰত একেলগে আহিছে।

"সুশান্ত, তোমাৰ চাৰ্টটো কেনেকৈ ফাটিল?" - আচৰিত ভাবে প্ৰশ্ন কৰে স্বপ্নাই।

"নাই এনেয়ে।" - সুশান্তই ক'লে-

"সুশান্ত তোমাৰ কপালত সেয়া?" - স্বপ্নাই আচৰিত ভাবেই সুশান্তক প্ৰশ্ন কৰে।

"ক'তা, একোতো হোৱা নাই।" - সুশান্তই কলে -"সুশান্ত তুমি মোক ক'ব বিচৰা নাই। কোৱা তোমাৰ কি হৈছে ? সুশান্তৰ বুকুৰ মাজত মূৰ গুজি

হুক হুকাই কান্দি উঠিল স্বপ্নাই। 'নাকান্দিবা স্বপ্না, মোৰতো একো হোৱা নাই। মই তোমাৰ কাষতেই আছো।" সুশান্তই স্বপ্নাক বুজাবলৈ চেষ্টা কৰিও আজি ব্যৰ্থ হৈ পৰিছে। কাৰণ স্বপ্নাই জানে যে - সুশান্তই কোনোদিনে তাই দুখ পোৱা কথাবোৰ তাইক নকয়।

"জানা স্বপ্না আজি এজন ডেকা ল'ৰাক চাইকেল এক্সিডেন্ট এটাৰ কাৰণে কেইজনমান মানুহে বৰকৈ মাৰিলে তাক বচাবলৈ যাওঁতে মোৰ গাতো কেইটামান পৰিল।"

সুশান্তৰ কথা শুনি স্বপ্নাই একো নক'লে। মাত্ৰ বিচনাত পৰি কান্দিহে থাকিল।

লাহে লাহে এন্ধাৰবোৰ ডাঠ হৈ আহিল। সুশান্তই অপৰাধী শিশুৰ দৰে থৰ্ থৰ্কৈ কপিব ধৰিছে। কিহৰ ভয়ত কপিছে হয়তো সি আজি জানিব পৰা নাই।হাত-ভৰি দুখন কোনোমতে ধুই বিছনাখনত ওপৰমুৱা হৈ পৰি থাকিল। সি আজি গোটেই পৃথিৱীখনকে এন্ধাৰ দেখিছে। চৌদিশে যেন স্বাৰ্থপৰতাৰ ফালে শংখ্য বাজি উঠিছে। কি অপৰাধ কৰিলে সি? মানুহবোৰে যে তাক এনেদৰে জঘন্যভাৱে মাৰধৰ কৰিলে। সি ইমানবোৰ চিঞৰি কৈছিল কিন্তু কোনোৱে তাৰ সেই চিঞৰ নুশুনিলে। কোনেও তাৰ শুদ্ধ বিচাৰ কৰিবলৈ আগবাঢ়ি নাহিল। তাৰ বন্ধু আমি যেন খাবলৈ দিয়া গজাটোৰ এভাগ স্বপ্নালৈ বুলি লৈছিল, কিন্তু নিষ্ঠুৰ নিয়তিৰ কদৰ্য্য কবলত পৰি সিও হেৰাই গ'ল। মাত্ৰ এটুকুৰা ৰুটিৰ কাৰণে আজি সি ইমান সংগ্ৰাম কৰিব লগা হৈছে। মাত্ৰ দুটা প্ৰাণী জীয়াই থাকিবৰ কাৰণে এমুঠি ভাতৰ ইমান অনাটন হ'ল। চহৰখনত গোটেই দিনটো ঘূৰি ঘূৰি একাকাৰ কৰি পেলালে, অথচ ক'তো এটা কাম বিচাৰি নাপালে। হায় বিধাতা! তুমি এই কপালখনত কি লিখিছিলা? বেদনাত তপ্ত অশ্ৰুই সুশান্তৰ দুগালেৰে ধৰাৰ বুকুত ফল্গু নৈৰ সোঁতে কোৱাই দিবলৈ ধৰিলে।

"সুশান্ত তুমি অলপ নিজৰ ওপৰতো গুৰুত্ব দিবলৈ শিকিবাচোন। সদায় সত্যবাদী হৈ থাকিলে চলিব নোৱাৰিবা।" সহস্ৰ বেদনাৰ উন্মুক্ত আচোঁৰত ফেকুৰি ফেকুৰি কৈ যায় স্বপ্নাই।

"উঠা ............ আহা ................. ভাত বান্ধো।" কিছু সংযত হৈ আকৌ কয়-

"ভাত বান্ধিবা ........... ?" "সুশান্তৰ জীৰ্ণ হৃদয়খনি চিৰিংকৈ উঠে। চিৰ অপৰাধী শিশুৰদৰে চকু দুটা জোৰকৈয়ে মেলি দিয়ে আৰু একো নকৈ একেথৰে চায় থাকে স্বপ্নাৰ ফালে। "কি হ'ল .... উঠা ....।" নিস্তব্ধতা ভংগ কৰি আকৌ আহ্বান জনায় স্বপ্নাই। সুশান্তই শান্ত শিশুৰ দৰে গৈ থাকিল ৰান্ধনী শাললৈ।

নিশা প্ৰায় দহমান বাজিছে। আকাশখন ক'লা ডাৱৰে চানি ধৰিছে। বোধহয় আৰু কিছুসময় পাছতে বৰষুণ আহিব। ধুমুহা বলিব, শিলাময় বৃষ্টিয়ে গোটেই বিশ্ব ৰজন-জনাই তুলিব। তাৰ পাছত বহুত সময় ধৰি প্ৰেমিকাই প্ৰেমিকৰ ওচৰত কৰা অভিমানৰ অন্তত হাঁহিৰ বিৰিঙি উঠা মুখখনিৰ দৰে গোটেই আকাশখনেই আনন্দত উজলি উঠিব।

"সুশান্ত বৰষুণ আহিব, ভাত কেইটা খাই লোৱা।"

"চাউল ক'ৰপৰা আনিলা?" - গাম্ভীৰ্য্যৰ সুৰত কয় সুশান্তই।

"আজি বিমান বৰুৱাৰ বিল্ডিংটোৰ তৃতীয় মহলাৰ ধালাইৰ কাম চলিছিল। কালি বাইৰ লগত গৈ তাতে অলপ কাম কৰিলোঁ। দিনটোৰ অন্তত একুৰি টকা পালো। তাৰেই চাউল, চেনি, আলু আৰু কালি পুৱা তোমাৰ কাৰণে অলপ আটাও আনিলোঁ।"

কথাখিনি শুনাৰ লগে লগে সুশান্তৰ বুকুখন ফাটি-ফুটি চূৰ্ণ-বিচূৰ্ণ হৈ গ'ল। চিঞৰি চিঞৰি তাৰ কান্দিবৰ মন গ'ল। সি যেন আজি গোটেই বিশ্বকে চিঞৰি চিঞৰি ক'ব - "যদি তোমাৰ টকা নাই, তুমি বিয়া নকৰাবা, বিয়াৰ পাছত এটি কাৰণ্যময় জীৱন যাপন কৰাতকৈ বৰলা জীৱনে শ্ৰেয়।"





যিজনী স্বপ্নাক সুশান্তই আজি অতদিনে মৰমৰ ৰাঙলী কবচ পিন্ধাই পৌগণ্ড শিশুৰদৰে বুকুৰ মাজত ৰাখিছিল সেইজনী স্বপ্নাই আজি অইনৰ ঘৰত কাম কৰি সুশান্তক দিনটোৰ মুৰত এসাজ যাঁচিছে।

"হাই ভগৱান, স্বপ্নাৰ প্ৰেমত পৰাৰ আগতে তুমি মোক কিয় এই পৃথিৱীৰ পৰা আঁতৰাই নিনিলা? কিয় তুমি মোৰ লগত বিবাহৰ প্ৰস্তাৱ দিছিলা? কিয় তোমাৰ দেউতাৰাৰ অজস্ৰ সম্পত্তিক সিকাটি কৰি মোৰ দৰে পথৰ ভিকহুটোৰ লগত জীৱনৰ বাকীছোৱা সময় কটাব বিচাৰিলা? কিয়? কিয়?? তোমাক মই কি দিছো? কি দিব পাৰিছোঁ? ........।" একেলগে বহুতবোৰ চকুপানীয়ে সুশান্তৰ অন্তৰখনি ধুৱাই দুচকুৰ কোণেৰে ওলায় গ'ল বাহ্যিকজগতলৈ।

"কি চায় আছা!" আলু কেইটা পিটিকি পিটিকি স্বপ্নাই প্ৰশ্ন কৰে।

"নাই ........... মানে ........... নাই ....... এনেয়ে ...........।" কিবা এটা যেন লুকাব বিচাৰিছে সুশান্তই। স্বপ্নাই বুজি পাইছিল কিন্তু একো নকৈ ভিতৰলৈ সোমাই গৈছিল ভাত আনিবৰ বাবে।

সুশান্তই অনিমেষে চাই আছে স্বপ্নাৰ ফালে। যেন বহুদিনৰ অন্তত আকৌ আজি দেখা পাইছে ন ৰূপত, ন সাজত। গৃহ লক্ষ্মীয়ে যেন বন্তি গছি জ্বলাই লৈ ভগৱানৰ পূজাত ব্যস্ত হৈ পৰিছে। আজীৱন হাহোঁ-হাহোঁকৈ থকা চকু জুৰিয়ে যেন আজি অস্তগামী সূৰুযৰ হেঙুলী ৰহণ সিচিছে। হায় বিধাতা, নিয়তিৰ কি নিষ্ঠুৰ পৰিহাস।

"সুশান্ত? কি চাই আছা?" - নিশাৰ নিস্তব্ধতা ভংগ কৰি আকৌ প্ৰশ্ন কৰিছে স্বপ্নাই। "ওঁ খোৱা," স্বপ্নাই এগৰাহ ভাত সুশান্তক খুৱাই দিয়ে। বাধ্য শিশুৰদৰে মাথো মুখখন মেলি দিয়ে সুশান্তই। আজি সুশান্তই একো প্ৰতিবাদ কৰিব পৰা নাই। মূক মানুহৰ দৰে মাত্ৰ চায় আছে .........।

বাহিৰত তেতিয়া বৰষুণৰ আগজাননী। মেঘৰ গৰ্জনীত যেন গোটেই পৃথিৱীখনকে থৰ্ থৰ্কৈ কঁপাই তুলিছে। বোধহয় ধুমুহা বলিব, শিলাবৃষ্টি আহিব।

"সুশান্ত সোনকালে খোৱা, বৰষুণ আহিবই এতিয়া।" - স্বপ্নাই ক'লে -

ইতিমধ্যে বাহিৰত বৰষুণ আহিব ধৰিছে। বৰষুণৰ ৰৌ-ৰৌ শব্দই গোটেই বিশ্ব ৰজন-জনাই তুলিছিল। উৰুখা পানীৰে সুশান্তৰ বাঁহ আৰু খেৰেৰে সজা ঘৰটোৰ মজিয়াখন ওপচি পৰিছে। সুশান্তই ভাতৰ কাঁহীখন লৈ বৰষুণ নপৰা ঠাই এডোখৰ বিচাৰিছে কিন্তু স্বপ্নাই উৰুখা পানীতে তিতি-তিতি অন্তৰৰ দুখবোৰ লুকাব বিচাৰি কিৰিলি পাৰি হাঁহিছে। যেন জীৱনত আজিয়ে প্ৰথমবাৰৰ কাৰণে নতুন বস্তু এটা উপভোগ কৰিছে।

অন্তৰত এবুকু দুখৰ হুমুনিয়াহ। তথাপি নিশ্চিত বেদনাক সিকাটি কৰিও গোটেই জীৱন হাঁহি হাঁহি কটাব বিচাৰিছে স্বপ্নাই, একমাত্ৰ সুশান্তৰ বাবেই। হাহিঁ থাকোতেই অন্তৰৰ অপ্ৰকাশ্য দুখবোৰ কেতিয়াবা আনন্দৰ প্ৰাচীৰ ভেদ কৰিও দুচকুৰ কোণেৰে এটোপালমান চকুলো ওলায় যায়। কিন্তু উৰুখা পানীত তিতি থকাৰ কাৰণেই কিজানি সি, স্বপ্নাৰ চকুলোবোৰ দেখা পোৱা নাই।

বৰষুণ আৰু জোৰে আহিব ধৰিছে। বতাহৰ গোঁ-গোঁৱনি শব্দই যেন প্ৰকৃতিৰ বীণাত নতুন লহৰ তুলিছে। বোধহয় আৰু কিছুসময় পাছতে বতাহতে উৰি যাব সুশান্তৰ পঁজাঘৰ ..........। সুশান্তই অনিমেষে চাই আছে স্বপ্নাৰ ল'ৰালিৰ ধেমালি, তাই যেন আজি অবুজ শিশু, মাকৰ বাধা নামানি তাই বাৰে বাৰে বৰষুণত তিতিব ধৰিছে। কি আঁকৰী এইজনী।

স্বপ্নাই যদিও এনেদৰে ধেমালি কৰিছে তথাপি সুশান্তই নিজক ধৈৰ্য্য ধৰাই ৰাখিব পৰা নাই। স্বপ্নাই যিমানে হাঁহিছে সিমানে সুশান্তৰ বুকুখন ফাটি যোৱা যেন অনুভৱ হৈছে। উপায়ন্তৰ হৈ সুশান্তই দৌৰি গৈ স্বপ্নাক সাৱটি ধৰি জোৰেৰে চিঞৰি দিছে স্বপ্না ....... স্বপ্না ........... ।। ❑❑❑❑

গল্প



# ।। এন্ধাৰত মৰীচিকা বিচাৰি ।।

শ্ৰী নৱ কুমাৰ শালৈ
স্নাতক, তৃতীয় বৰ্ষ (কলা)

......... কেইমাহমান পিছত মই গম পালোঁ যে মোৰ স্বামীয়ে অসৎ উপায়ে ধন সংগ্ৰহ কৰি সমাজত মানুহ বোলাইছে। ........ মই স্বামীক কৈছিলোঁ যিবোৰ পথেৰে টকা উপাৰ্জন কৰিছা সেইবোৰ একেবাৰে বেয়া কাম। কাৰণ উতলা গাখীৰ ঢাকোন দি ৰাখিব নোৱাৰি, যদি এই কু-কৰ্মৰ কথা ৰাইজে গম পায় কি হ'ব ...........?

সকলোৰে শুনিলে নিজৰাই আত্মহত্যা কৰিলে। মৃত্যুৰ আগমুহূৰ্ত্তত লিখি থৈ যোৱা দুষাৰ কথাই তাইৰ আত্মহত্যাৰ চাঞ্চল্যকৰ ৰহস্য নিমিষতে নিঃশেষ কৰিলে। সকলোৱে ভাবিলে তাই মানসিক বিকাৰগ্ৰস্থ হৈ এই অদ্ভুত কাণ্ডটো কৰিলে। কিন্তু কোনেও এবাৰো পৰ্য্যবেক্ষণ কৰি নাচালে সচাঁকৈয়ে মানসিক ৰোগত আক্ৰান্ত আছিলনে? তাইৰ দৈনন্দিন কাৰ্য্য ক্ৰমণিকাত সেই ৰোগত কিবা লক্ষণ পৰিস্ফুট হৈছিলনে? ওচৰ চুবুৰীয়া মানুহে স্বীকাৰ কৰিলে যে স্বামী বিচ্ছেদৰ আঘাটতে তাই আত্মহত্যা কৰিলে।

কিন্তু পৰাগ গগৈই জানিছিল। স্থানীয় মহাবিদ্যালয়ৰ প্ৰবক্তা পৰাগৰ কবিতা, গল্প, সংগীত উপন্যাস আৰু নাটক আদি লিখাত অদ্ভুত নিচা আছিল। দিনে নিশাই তেওঁৰ লিখাই একমাত্ৰ লক্ষ্য আছিল । লিখাৰ আগমুহূৰ্ত্তলৈ তেওঁ নিজে নাজানে কি লিখিব। কিন্তু লিখি উঠাৰ পিছত মানুহ স্তব্ধ হয় তেওঁৰ অভিনৱ সৃষ্টিত।

"এন্ধাৰৰ মৰীচিকা বিচাৰি" উপন্যাসখন প্ৰকাশ পোৱাৰ পিছত তেওঁলৈ বহু শুভেচ্ছা আহিল। পৰাগ গগৈৰ এই ৰহস্যভৰা উপন্যাসখনে সমাজত এক আলোড়ণৰ সৃষ্টি কৰিলে। আন্তৰিকতাপূৰ্ণ সমূহ চিঠিয়ে পৰাগক যিমান উৎফুল্লিত কৰিব লাগিছিল তাতকৈ বহুগুণে ম্ৰিয়মান কৰিলে নিজৰাৰ আত্মহত্যাৰ বাতৰিয়ে। এক অপৰাধী ভীৰু মনে তেওঁৰ সকলো প্ৰতিভা মুহূৰ্ত্তত ধ্বংসৰ পথলৈ ঠেলি দিছিল। খন্তেকৰ বাবেও কোনেও সন্দেহ নকৰিলে নিজৰা আৰু পৰাগৰ বন্ধুত্বই এই পৰিণতিৰ কাৰণ





হব পাৰে নেকি? কিন্তু পৰাগে মৰ্মে মৰ্মে অনুভৱ কৰিছে যে তাইৰ আত্মহত্যাৰ কাৰণ তাই নিজেই।

নিজৰা বৰুৱা আছিল পৰাগ গগৈৰ প্ৰতিবেশী। নিজৰাৰ লগত পৰাগৰ প্ৰথম চিনাকি হৈছিল ৰঙালী বিহুৰ এখন সাংস্কৃতিক সন্ধিয়াত। সেই সাংস্কৃতিক সন্ধিয়াৰ শুভ উদ্বোধক আছিল পৰাগ গগৈ। লিখকৰ প্ৰতি থকা অসাধাৰণ দুৰ্বলতাৰ বাবেই তাই অতি কম সময়ৰ ভিতৰতে তেওঁক আপোন কৰি লৈছিল। নিজৰাক লগ পোৱাত পৰাগৰ কোনো ক্ষতি হোৱা নাছিল, বৰঞ্চ উপকাৰহে হৈছিল। কেতিয়াবা তাই তেওঁৰ গল্প-কবিতাৰ লিখনি সমূহ নকল কৰি দিছিল। তাইৰ প্ৰেৰণাত পৰাগে বহুতো গল্প, কবিতা, সংগীত আদি ৰচনা কৰিছিল। এই গল্প, কবিতা আদিৰ মূলতে আছিল নিজৰাৰ জীৱনত ঘটা একোটা সঁচা ঘটনা। এইদৰেই বিশেষকৈ লিখনিৰ মাধ্যমেৰে নিজৰাৰ সৈতে তেওঁৰ আন্তৰিকতা গভীৰ হৈ পৰিছিল। এগৰাকী বিবাহিতা নাৰী হিচাপে তাইক তেওঁ যথেষ্ট সন্মান কৰিছিল। তাইৰ পৰিত্যক্ত জীৱনলৈ আহিছিল তেওঁৰ সহানুভূতি। এদিন গধূলি তাই কৈছিল - আপুনি ইমান গল্প, কবিতা লিখে, মোৰ জীৱনৰ সঁচা ঘটনাক লৈ জানো এখন উপন্যাস লিখিব নোৱাৰে? তেওঁ আশ্বাস দি কৈছিল নিশ্চয় লিখিব। তাইৰ জীৱনত ঘটা ঘটনাবোৰক জীৱন্ত ৰূপ দিবলৈ পালে তেওঁৰ কলমে নতুন জীৱন পাব। কিন্তু কথা হ'ল ইমান দিনে তাই সুধিব বুলি ভাবিও তাইৰ ব্যক্তিগত জীৱনৰ কথাবোৰ দেখোন সুধিব পৰা নাই। তেওঁৰ কথাত তাই হাহিঁ হাহিঁ কৈছিল - মই বাৰু আপোনাক লিখি জনাম। আপুনি উপন্যাসত ৰূপ দিব। সিদিনা সিমানতে নিজৰাই বিদায় লৈ ঘৰলৈ গ'ল। কেইদিনমানৰ পিছত এখন চিঠিৰ আকাৰত নিজৰাৰ পৰা পাইছিল তাইৰ বিগত জীৱনৰ বিষয়ে লিখা পাণ্ডুলিপি। সেইখনত আছিল -

মৰমৰ পৰাগদা,　　　　ডিব্ৰুগড়
৫/১/৯০

আপোনাৰ সহাঁৰি পাই মই মোৰ জীৱনৰ কাহিনীটো লিখি দিবলৈ চেষ্টা কৰিলোঁ। কাহিনীটো আপুনি সজাব, কাহিনীৰ চৰিত্ৰবোৰ আপুনি ইছামতে দিব। কাহিনীটো এনে ধৰণৰ ঃ

মই তেতিয়া কটন মহাবিদ্যালয়ৰ ছাত্ৰী।,ছাত্ৰী নিবাসত থাকি মই পঢ়া-শুনা কৰিছিলোঁ। তেতিয়া মই লগ পাইছিলোঁ মুন্না শইকীয়াক। কলেজৰ চৌহদৰ চিনাকি হৈ গম পালো যে মুন্না এখন সম্ভ্ৰান্ত পৰিয়ালৰ ডাঙৰ ল'ৰা। গুৱাহাটীতে ঠিকা-ঠুকলিৰ কাম কৰে। তেওঁ মোক বিয়াৰ প্ৰস্তাৱ দিছিল। এজন নিৰ্ভীক যুৱকৰ দ্বিধাহীন প্ৰচেষ্টাত কিয় জানো মই বেছিকৈ মোহিত হৈ পৰিছিলোঁ। সচাঁ কথা কবলৈ গ'লে মই সেই প্ৰস্তাৱ সগৌৰৱে গ্ৰহণ কৰিছিলোঁ। স্নাতক শিক্ষান্ত পৰীক্ষা দিয়াৰ পিছত অতি কম সময়ৰ ভিতৰত আমাৰ বিয়া হৈছিল। এইদৰে আমাৰ দুয়োৰে যুগ্ম জীৱন আৰম্ভ হৈছিল। কিন্তু বিয়াৰ কেইমাহমান পিছতহে মই গম পাইছিলোঁ যে মোৰ স্বামীৰ ঘৰখন ইছলাম ধৰ্মৰ। বিয়াৰ আগত স্বামীয়ে মোক হিন্দু বুলি ফাঁকি দিছিল। মোৰ স্বামী মুছলমান হলেও মোৰ সিমান আপচোছ নাই ; কাৰণ আমি এক ঈশ্বৰ বা আল্লাৰ সন্তান। হিন্দু, মুছলমান, খ্ৰীষ্টান এইবোৰ মানুহহে সৃষ্টি কৰা। সেয়েহে স্বামীৰ ঘৰখনক মই ঘীণ কৰা নাছিলোঁ। স্বামীৰ ঘৰত শাহু শহুৰৰ পৰা মই বৰ আদৰ আৰু কল্পনাতীত মৰম স্নেহ পাইছিলোঁ।

কেইমাহমান পিছত মই গম পালোঁ যে মোৰ স্বামীয়ে অসৎ উপায়ে ধন সংগ্ৰহ কৰি সমাজত মানুহ বোলাইছে। ঠিকা নামতহে, ভিতৰে ভিতৰে তেখেতে ভাং, আফিং আৰু ড্ৰাগছৰ ব্যৱসায় কৰে। নিতৌ সন্ধিয়া স্বামীৰ ঘৰলৈ নতুন নতুন মানুহ আহে আৰু গোপন বৈঠক বহে। তেতিয়া মোৰ মনে ধৰি লৈছিল

যে মই মোৰ স্বামীক সৎ পথলৈ ঘূৰাই আনিম। মই ঈশ্বৰক প্ৰাৰ্থনা কৰিছিলোঁ, হে প্ৰভু, মোৰ স্বামীক সুমতি দিয়া ; অসৎ পথৰ পৰা ঘূৰাই আনা। পৃথিৱীত সৎ উপায়েৰে টকা আৰ্জিহে মানুহ সুখী হব পাৰে। এই পৃথিৱীৰ সৰহ সংখ্যক মানুহে সৎ উপায়ে টকা আৰ্জি জীৱন-যাপন কৰি আছে, তেওঁলোকহে প্ৰকৃততে সুখী।

মই মোৰ স্বামীক এই ব্যৱসায়ৰ পৰা আঁতৰাই আনিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। মই স্বামীক কৈছিলোঁ যিবোৰ পথেৰে টকা উপাৰ্জন কৰিছা সেইবোৰ একেবাৰে বেয়া কাম। কাৰণ উতলা গাখীৰ ঢাকোন দি ৰাখিব নোৱাৰি, যদি এই কু-কৰ্মৰ কথা ৰাইজে গম পায় কি হ'ব? তেতিয়া মোৰ স্বামীয়ে কৈছিল- "আজিকালি ধনেই আল্লাউদ্দিনৰ বন্তি।" এনেদৰে আমাৰ দুয়োৰে কথা বাৰ্তাতে খং উঠি গৈছিল আৰু এই খং চৰম সীমাত উপনীত হৈছিল। মই স্বামীক নানা কথা কৈছিলোঁ। তোমালোকৰ বাবেই বৰ্ত্তমানৰ যুৱসমাজ পঙ্গু হৈ পৰিছে। তোমালোকে আমদানি কৰা এই দ্ৰব্যবোৰ খাই আমাৰ নিজৰে হাজাৰজন ভাই ধ্বংসস্তূপত পৰিণত হৈছে। সেইবাবে? এইবোৰ কাম এৰা। নহ'লে তোমাক কোনো জাতিয়ে, কোনো সমাজে, কোনো সুস্থ মস্তিস্কৰ মানুহে ক্ষমা নকৰিব। যদি তোমালোকে এইবোৰ কাম বাদ নিদিয়া তেতিয়া হলে মই এইবোৰ ভণ্ডামিৰ কথা ৰাইজক জনাম। তেতিয়াহে হাজাৰজন অসমীয়া ইয়াৰ কবলৰ পৰা মুক্তি পাব। মোৰ কথাত স্বামী ক্ৰোধান্বিত হৈ মোৰ ওপৰত জপিয়াই পৰাদি পৰিছিল আৰু নানান অত্যাচাৰ কৰি ঘৰৰ পৰা বাহিৰ কৰি দিছিল। তেতিয়া মোৰ তেওঁৰ প্ৰতি ঘৃণা উপজিছিল আৰু স্বামী গৃহ এৰি গুছি আহিছিলোঁ ইয়ালৈ। শুনিছো এতিয়া তেওঁ জেলত। সেয়েহে মই ভাৰাঘৰটোত কেইটামান টিউশ্যন কৰি জীৱনটো অতিবাহিত কৰিছোঁ। এটা সৎপথক অনুসৰণ কৰিবলৈ গৈ মই জীৱনৰ সৰ্বস্ব হেৰুৱালোঁ বুলি মোৰ এটা ডাঙৰ দুখ আছিল। তোমাক লগ পোৱাৰ পিছৰ পৰাই মোৰ এই দুখ সম্পূৰ্ণৰূপে আঁতৰি গৈছে। মই অনুভৱ কৰিছোঁ আমাৰ পৰস্পৰৰ সান্নিধ্য পৰস্পৰৰ কাৰণে কিমান কাম্য। মোৰ দৰে পৰিত্যক্তা নাৰী এগৰাকীক আপুনি ইমান মৰমেৰে আকোঁৱালী লোৱাৰ দৰে মহানুভৱতাৰ কাম কৰিব বুলি মই কোনোদিনেই ভবা নাছিলোঁ। আপোনাৰ উদাৰতাত মোৰ প্ৰকৃত সত্যৰ পথ নিৰ্ণয় কৰাৰ সুযোগ পাইছোঁ। সেয়ে মোৰ চৰম আনন্দ। আপুনি ভুল নুবুজিব। এতিয়া আপুনিয়ে মোৰ সৰ্বস্ব, মোৰ আৰাধ্য দেৱতা, প্ৰেৰণাৰ উৎস আৰু জীয়াই থকাৰ একমাত্ৰ সাহস।

মোৰ জীৱনৰ সঁচা কাহিনীটো লিখিলোঁ। উপন্যাসখন আপুনি লিখিব আৰু মোৰ লিখনিৰ শেষাংশক সোনকালে বাস্তৱত ৰূপ দিব বুলি আশা কৰিলোঁ। ইতি - আপোনাৰ

নিজৰা।

লিখনিৰ শেষাংশ পঢ়ি পৰাগ আচৰিত হ'ল। এয়া নিজৰাৰ কি অলৌকিক কল্পনা? এয়া জানো বাস্তৱত ৰূপ দিয়া সম্ভৱ? তাৰ পিছত গোটেই ৰাতি নিজৰাৰ কথাবোৰকে লৈ এটা কাহিনী সাজিলোঁ। নিজৰাৰ জীৱন কাহিনীৰ প্ৰথমাংশ তাই লিখাৰ দৰে একে ৰাখিলোঁ। কাহিনীটোৰ শেষাংশ এনেদৰে সজালোঁ ঃ তাইৰ স্বামী মুন্না জেলৰ পৰা ওলাই আহিছে।

আনফালে নিজৰাই প্ৰদীপ নামৰ প্ৰৱক্তা এজনৰ প্ৰতি দুৰ্বল হৈ পৰিছে। তাই প্ৰদীপৰ সংগ নেৰা হ'ল। প্ৰদীপৰ আত্মসংযম প্ৰচুৰ। তেওঁ পৰস্ত্ৰী হিচাপে নিজৰাক যিমান সন্মান দিব লাগে তেতিয়াও তাৰ ত্ৰুটি কৰা নাই। কিন্তু যিমানে আত্ম সংযম কৰক কিয় এজন অবিবাহিত ডেকা আৰু পৰস্ত্ৰী এজনীৰ





মিলন সমাজৰ মানুহে ভাল ভাবে গ্ৰহণ কৰিব নোৱাৰাটো স্বাভাৱিক। কথাটো মুন্নাৰো কাণত পৰিল। কথাটো শুনি তেওঁৰ খং উঠিল আৰু গুন্দা গব্বৰ সিঙৰ লগত আলোচনা কৰি তাইৰ হত্যাৰ আঁচনি কৰে।


এদিন নিশা গব্বৰ সিঙে গৈ ভাৰাঘৰৰ দুৱাৰত টক্ টক্ শব্দ কৰাত নিজৰাই দুৱাৰ খুলিয়ে তেওঁক দেখি যম দেখা যেন পালে। গব্বৰৰ হাতত পিষ্টল দেখি তাই টনা আজোৰা কৰে। তেনেতে গব্বৰৰ হাতৰ পৰা পিষ্টলটো ছিটিকি পৰে আৰু নিজৰাই দৌৰিবলৈ ধৰে।

নিজৰাই দৌৰি দৌৰি গৈ প্ৰদীপৰ কোঠাত সোমায়। সেই সময়ত প্ৰদীপ কাগজ কলম লৈ কিবা লিখাৰ বাবে কল্পনা কৰি আছিল। তাই কান্দি-কান্দি ক'লে, প্ৰদীপদা, আপুনি মোক আশ্ৰয় দিয়ক। মোক খেদি নপঠাব। মোক গুন্দাই মাৰি পেলাব। প্ৰদীপে ক'লে- চাওঁক শ্ৰীমতী বৰুৱা, আপুনি যদি ইয়াৰ পৰা বাচিব খোজে তেনেহলে স্থানীয় পুলিচ থানাৰ সহায় লওঁক নাইবা নিজৰ মাহতঁৰ ঘৰলৈ গুচি যাওঁক। আপোনাক মই চিৰ দিনৰ বাবে আশ্ৰয় দিব নোৱাৰিম। আপুনি মোক ভুল নুবুজিব। কাৰণ মোৰ ঘৰত মা-দেউতাহঁতে মোৰ বিয়াৰ ঠিক ঠাক কৰি পেলাইছে।

প্ৰদীপৰ ওচৰত বিমুখ হৈ তাই নিজৰ ভাৰা ঘৰলৈ গ'ল। তাইৰ গাটো যেন কিবা অৱশ অৱশ লাগিছে। তাইক যেন ৰাতিৰ জোনবাই, তৰা আদিবোৰে তাচ্ছিল্য কৰিছে। সেইবাবে তাই চুৰী এখন নিজৰ বুকুত সুমাই দি আত্মহত্যা কৰিলে। পৰাগ গগৈৰ "এন্ধাৰৰ মৰীচিকা" বিচাৰি উপন্যাসৰ কাহিনীভাগ ছপা হৈ ওলোৱাৰ পিছত উপন্যাসখনে পঢ়ুৱৈ সমাজৰ পৰা বৰ সমাদৰ লাভ কৰিছে।

১৫ বহাগ তাৰিখে গগৈৰ বিয়া সুকলমে পাৰ হৈ গ'ল। বিয়াৰ পিছদিনা ৰাতিপুৱা নিজ বাসভৱনত স্থানীয় বাতৰি কাকত 'অসমীয়া প্ৰতিদিন' মেলি পৰাগে পঢ়িলে এটা খবৰ। খবৰ পঢ়ি পৰাগ ঢলি পৰিল। পৰাগৰ ঘৈনীয়েক অংকীতাই পঢ়িলে ২৮ এপ্ৰিল নিশা নিজৰাই আত্মহত্যা কৰিছে। সেই সময়ত তাইৰ লগত আছিল এখন উপন্যাস 'এন্ধাৰত মৰীচিকা বিচাৰি।'

□□□□



গল্প

# ।। দায়ী কোন ?।।

শ্ৰীঅনিতা ৰাজবংশী
স্নাতক, প্ৰথম বৰ্ষ (কলা)

## এক

বাহিৰৰ ফৰিং ফুটা জোনাকত বহি পুলকেশ আৰু নন্দিতাই মনৰ এক বিমল আনন্দ উপভোগ কৰিছে। বাহিৰত জিৰ্-জিৰ্কৈ এজাক বতাহ বলিবলৈ আৰম্ভ কৰিছে। সেইখিনি সময়ত তেওঁলোকৰ এনেকুৱা লাগিছিল যেন এক বিভোৰ আনন্দই তেওঁলোকক আপোন পাহৰা কৰি তুলিছে। নিজৰ ল'ৰা-ছোৱালীহালক লৈ তেওঁলোকে ভৱিষ্যতৰ এক ৰঙীন স্বপ্নৰ কল্পনা কৰিছে। একমাত্ৰ ছোৱালী ৰঞ্জনা এইবাৰ ক্লাছ ix পাইছে। আৰু একমাত্ৰ ল'ৰা জিন্তু এইবাৰ ক্লাছ x পাইছে। তেওঁলোকে ল'ৰা-ছোৱালী হালক লৈ এটি অভাৱহীন জীৱন কটাইছে। কিন্তু একমাত্ৰ ল'ৰা এদিন নামি পৰিল সহস্ৰ বিপ্লৱত - ই দেশমাতৃৰ হকে স্বাধীনতাৰ আশাত। মাক-দেউতাক আৰু একমাত্ৰ ভনীয়েকৰ কথা পাহৰি দেশৰ কাৰণে ওলাই গ'ল। এনেকৈয়ে দিন বাগৰি গ'ল। একমাত্ৰ ছোৱালী ৰঞ্জনা গাভৰু হৈ আহিল। মেট্ৰিক পাছ কৰি হায়াৰ চেকেণ্ডাৰীও এইবাৰ পাছ কৰিলে। এজন উপযুক্ত ল'ৰাৰ সৈতে তাইৰ বিয়াৰ দিন ঠিক হ'ল।

## দুই

অঞ্জন বৰুৱা আছিল এজন চৰিত্ৰবান, সচেতন আৰু প্ৰৱল সাহসী ব্যক্তি। দেখাত বেছ ধুনীয়া কলেজৰ অধ্যাপক। কথা বতৰা গহীন গম্ভীৰ। সেয়ে সকলো চাই চিতি তাইৰ বিয়াৰ ঠিক হ'ল। বিয়াৰ দিনা তাইৰ একমাত্ৰ ককায়েক জিন্তু ঘৰত নথকা বাবে তাই বৰ দুখ অনুভৱ কৰিছিল। যদি আজি সি ঘৰত থাকিলেহেঁতেন। বিয়াৰ দিনা ৰঞ্জনাই ককায়েককৈলে মনত পেলাই হিয়া ধাকুৱী কান্দিছিল। বিয়া শেষ হোৱাত ৰঞ্জনাক অঞ্জনাইঁতৰ ঘৰলৈ লৈ

> ............ জিন্তুৱে দীঘল হুমুনিয়াহ এটি কাঢ়ি একো ক'ব নোৱাৰিলে। তাৰ অন্তৰাত্মাই কৈ উঠিল হায় ! কি কৰিলি? নিজৰ জন্মদাতা পিতৃক তিল তিলকৈ হত্যা কৰিলি। সি নিজকে প্ৰশ্ন কৰিলে মোৰ দেউতাৰ মৃত্যুৰ বাবে দায়ী কোন ............?





গ'ল। সেই সময়ত ৰঞ্জনাৰ নিজৰ ঘৰখন এৰি যোৱাৰ মূলতে দুখ লাগিছিল ককায়েকৰ কথা। তথাপিও সামাজিক পৰম্পৰা মানি ঘৰ এৰি যাবই লাগিব।

## তিনি

নিশা আঠ বজাত পুলকেশ আহি ঘৰ সোমাইছে। নন্দিতাই পানী এগিলাছ আনি পুলকেশৰ হাতত তুলি দিছে। এনেতে ফোনৰ শব্দ ক্ৰিং-ক্ৰিং। বেগা বেগিকৈ গৈ নন্দিতাই ফোনৰ ৰিছিভাৰটো হাতত তুলি ললে। গম পালে যে পুলিছ ইন্সপেক্টৰ পুলকেশ বৰুৱাক বিচাৰিছে। কৰবাত হেনো উগ্ৰপন্থীৰ গেং এটাৰ সন্ধান পাইছে। খবৰটো পাই পুলকেশে খুব আনন্দ পালে। হয়তো সেই গেংটো কৰায়ত্ত কৰিব পাৰিলে তেওঁ সাহসৰ পৰিচয় দেখুৱাব পাৰিব। সকলোবোৰ চিন্তা কৰি তেওঁ যাবলৈ ওলাল। নন্দিতাই চাহ কাপ লৈ আহি টেবুলত থোৱালৈ অপেক্ষা নকৰি তেওঁ পুনৰ পুলিচ থানালৈ ৰাওনা হ'ল। পুলকেশে উৎসাহেৰে থানালৈ গৈ দেখিলে বাকীবোৰ ৰেডি, মাথোঁ পুলিচ ইন্সপেক্টৰৰ অপেক্ষাত। গৈয়ে ৰাওনা হ'ল সসস্ত্ৰ সংগঠনৰ গেং বিচাৰি। গৈ থকা অৱস্থাতে ইন্সপেক্টৰৰ জিপচিত পিছফালৰ পৰা কোনোবা সসস্ত্ৰ উগ্ৰপন্থীয়ে বোমা নিক্ষেপ কৰি গাড়ীখন থিতাতে ছিন্ন-ভিন্ন কৰি পেলালে।

## চাৰি

সেইদিনা নিশা কামকৰা ছোৱালী ৰেণুজনীৰ সৈতে নন্দিতাই উজাগৰে কটালে। ৰাতিপুৱা পাঁচ বজালৈ উভতি নহা দেখি নন্দিতাৰ মনত কিছুমান দুঃচিন্তাই হেঁচা মাৰি ধৰিলে। আগচোতালৰ শেৱালি জুপিত বহি কাউৰীয়ে কা-কা কৰা দেখি তাই খংমনে ছোঁ-ছোঁ বুলি খেদি দিলে। তাইক যেন এক দুখৰ বতৰা দিবলৈ কাউৰী জনী শেৱালি জুপিত আহি পৰিছিল। তাই নিজকে বিষাদময় যেন অনুভৱ কৰিছিল। অলপ সময়ৰ পিছত ফোনত শব্দ। নন্দিতাই উধাতুখাই দৌৰ মাৰি ফোনৰ ওচৰ পালে। তাই মনতে ভাবিলে মিঃ বৰুৱা নিশা ঘৰলৈ নহা খবৰটোকে জনাব। কিন্তু বিধাতাৰ লিখন নেযায় খণ্ডন। ফোনত কৈ উঠিল এক্সিডেন্ট । যোৱানিশা চাৰে আঠ বজাত পুলিচ ইন্সপেক্টৰৰ জিপচিত কোনোবা দুদৰ্ষ উগ্ৰপন্থীয়ে বোমা নিক্ষেপ কৰি ............। বাকীখিনি শুনিবলৈ নন্দিতাৰ ধৈৰ্য্য নহ'ল। থিতাতে মূৰ্চা গৈ মাটিত ঢলি পৰিল। ওচৰতে কাম কৰি থকা ছোৱালীজনীয়ে নন্দিতাক নি আথে-বেথে বিছনাত শুৱাই দিলে। ৰেণুৰ বাকী নাথাকিল বুজিবলৈ।

## পাঁচ

পদুলিৰ সমূখত গাড়ীৰ শব্দ। সেই সময়লৈ নন্দিতাৰ জ্ঞান ঘূৰি অহা নাই। মি ঃ বৰুৱাৰ মৃতদেহ নি চোতালত থলে। গাৱঁৰ মানুহৰ হাই উৰুমিত নন্দিতাই আৰু বেছি শোকাতুৰা হৈ পৰিল। মৃতদেহ বেছি সময় চোতালত নাৰাখি সৎকাৰৰ বাবে শ্মশানলৈ লৈ গ'ল। এইফালে নন্দিতা নাচিং হোমত। ৰঞ্জনাই নি মেডিকেলত ভৰ্ত্তি কৰাছে। বৰ্ত্তমান তাই মানসিক ভাবে সুস্থ। মানসিক আঘাত পালে পুনৰ বিপদ হ'ব পাৰে।

## ছয়


নিশা প্ৰায় প্ৰায় দুই বাজি দহ মিনিট গৈছে। বাহিৰৰ পৰা দুৱাৰত টক্ টক্ শব্দ। সেই সময়ত নিঃসহায় নন্দিতা আৰু ৰেণুজনীয়ে বিছনাত কপিঁবলৈ ধৰিলে। মাজনিশা কোনে বাৰু দুৱাৰত টুকুৰিয়াইছে? দুৱাৰখন খুলি নিদিয়া দেখি বেছি জোৰেৰে দুৱাৰখন ঠেলি দিলে। বুকুত সাহস গোটাই নন্দিতাই দুৱাৰখন খুলিবলৈ আগবাঢ়ি গ'ল। দুৱাৰখন খুলিয়ে দেখিলে একমাত্ৰ মৰমৰ ল'ৰা জিন্তু উভতি

আহিছে। দেখিয়ে মাকে জিন্তুক সাৱটি ধৰি কান্দিবলৈ ধৰিলে। মাকৰ উকা কপালখন দেখি জিন্তুৰ আৰু বুজিবলৈ বাকী নাথাকিল। দেউতাকৰ ফটোখন ফুলৰ মালাৰে আঁৰি থোৱা দেখি জিন্তুৰ অন্তৰাত্মাই হাঁহাকাৰ কৰি উঠিল। মাকক সকলোবোৰ সুধিলে। মা, দেউতাক কোনে কি কৰিলে? মাকে সুস্থ অৱস্থাত সকলোবোৰ ক'লে। মাকে তাক ক'লে যে ১০ জানুৱাৰীৰ নিশা চাৰে আঠ বজাত জিপচিত বোমা নিক্ষেপ কৰি তোৰ দেউতাবক ............। বাকীখিনি কবলৈ আৰু নন্দিতাৰ ধৈৰ্য্য নহ'ল।

## সাত

জিন্তুৱে দীঘল হুমুনিয়াহ এটি কাঢ়ি একো ক'ব নোৱাৰিলে। তাৰ অন্তৰাত্মাই কৈ উঠিল হায়! কি কৰিলি? নিজৰ জন্মদাতা পিতৃক তিল তিলকৈ হত্যা কৰিলি। সি নিজকে প্ৰশ্ন কৰিলে মোৰ দেউতাৰ মৃত্যুৰ বাবে দায়ী কোন? □□

# ১৯৯৮-৯৯ বৰ্ষৰ মহাবিদ্যালয়ৰ টুকুৰা স্মৃতি বুটলি ঃ





## ১৯৯৮-৯৯ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকল ঃ




থিয় হৈ- বাওঁফালৰ পৰা ক্ৰমে ঃ সৰ্বশ্ৰী অনুজ লহকৰ (সম্পাদক, আলোচনী বিভাগ), আফতাব হুছেইন (সম্পাদক, লঘুখেল বিভাগ), চাৰ্জিনা বেগম (সম্পাদিকা, তৰ্ক আৰু সাহিত্য বিভাগ), বিজুমণি বৰা (সম্পাদিকা, সাংস্কৃতিক বিভাগ), জুৰি শৰ্মা (সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা), ভবেন দত্ত (সম্পাদক, সমাজ সেৱা বিভাগ)।
বহি - বাওঁফালৰ পৰা ক্ৰমে ঃ সৰ্বশ্ৰী ইব্ৰাহিম আলী (সাধাৰণ সম্পাদক), হৰেন্দ্ৰ নাথ শৰ্মা (তত্ত্বাৱধায়ক, আলোচনী বিভাগ), উমেশ চন্দ্ৰ গোস্বামী (উপাধ্যক্ষ), ভবেন্দ্ৰ নাথ ডেকা (অধ্যক্ষ আৰু সভাপতি), দীনেশ লহকৰ (তত্ত্বাৱধায়ক, সমাজ সেৱা বিভাগ), হেমন্ত কলিতা (উপ-সভাপতি), সঞ্জয় মজুমদাৰ (সহঃসাধাৰণ সম্পাদক)।
ফটোত দেখা নগ'ল ঃ সৰ্বশ্ৰী সঞ্জয় তালুকদাৰ (তত্ত্বাৱধায়ক, লঘু খেল বিভাগ) প্ৰদীপ ডেকা (তত্ত্বাৱধায়ক, তৰ্ক আৰু সাহিত্য বিভাগ), মনোজ সিনহা (তত্ত্বাৱধায়ক, সাংস্কৃতিক বিভাগ), স্নিগ্ধা চৰকাৰ (তত্ত্বাধায়িকা, ছাত্ৰী জিৰণী কোঠা), পৰিতোষ দাস (তত্ত্বাৱধায়ক, ছাত্ৰ জিৰণী কোঠা), চাহাবুদ্দিন আহমেদ (সম্পাদক, গুৰু খেল বিভাগ), হেমেন কলিতা (সম্পাদক, ছাত্ৰ জিৰণী কোঠা) আব্দুৰ ৰেজ্জাক তত্ত্বাৱধায়ক, গুৰু খেল বিভাগ), নবেন্দ্ৰ কলিতা (কোষাধ্যক্ষ)।

## ১৯৯৮-৯৯ চনৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ প্ৰতিযোগী সকল ঃ




যাৰ পৰিচালনাই নাট্যমঞ্চ সজাই তুলিলে
**মল্লিকা শৰ্মা,**
শ্ৰেষ্ঠা পৰিচালিকা।



যাৰ অভিনয়ে সকলোকে মুগ্ধ কৰিলে
**ৰুবিনা আহমেদ,**
শ্ৰেষ্ঠা অভিনেত্ৰী।



যুক্তিৰে যাক নোৱাৰি
**বুবুল পাঠক,** শ্ৰেষ্ঠ তাৰ্কিক



আকস্মিক বক্তৃতাত শ্ৰেষ্ঠ
**হেমন্ত কলিতা,**



যাৰ গানে সকলোৰে হৃদয় স্পৰ্শ কৰি যায়
**অনুৰাধা পাঠক,**
শ্ৰেষ্ঠা গায়িকা।



**জোনালী বৰুৱা,**
শ্ৰেষ্ঠা বেডমিন্টন খেলুৱৈ।

## ১৯৯৮-৯৯ চনৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ প্ৰতিযোগী সকল ঃ



**চাহাবুদ্দিন আহমেদ,**
শ্ৰেষ্ঠ খেলুৱৈ।



**মোখতাৰ ৰহমান,**
শ্ৰেষ্ঠ দ্বৈত বেডমিন্টন খেলুৱৈ



**ইনামুল ইচলাম,** শ্ৰেষ্ঠ কাৰাটে তথা
দ্বৈত বেডমিন্টন খেলুৱৈ।



**নিপন কলিতা,**
শ্ৰেষ্ঠ ভলিবল খেলুৱৈ।



**কৰেন্দ্ৰ কলিতা,**
শ্ৰেষ্ঠ সমাজ সেৱক।



মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ কুইজ প্ৰতিযোগীসকল ঃ- বাওঁফালৰ পৰা ক্ৰমে ঃ কৌশিক গুপ্তা, ৰাণাদিত্য বৰ্মন, ফকৰুদ্দিন আহমেদ।

বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ বঁটা বিতৰণী অনুষ্ঠানত মুক্তি যোদ্ধা শ্ৰীযুত কামিনী মোহন শৰ্মা দেৱৰ পৰা বঁটা গ্ৰহণ কৰিছে মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰী অনুজ লহকৰে।





বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা ভাৰতীয় সাজ-পোছাক পৰিধানৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা প্ৰতিযোগী সকল বাওঁফালৰ পৰা ক্ৰমে ঃ মল্লিকা শৰ্মা, অঞ্জুমা ইয়াচমিন, নৱনীতা শৰ্মা আৰু কাঞ্চন ফাৰ্চ। প্ৰথম স্থান লাভ কৰে অঞ্জুমা ইয়াচমিনে।

১৯৯৮-৯৯ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ নাটক 'ৰেগিং, ৰেগিং, ৰেগিং'ৰ এটি মূহুৰ্ত।





গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্যোগত ৰত্নপীঠ মহাবিদ্যালয়ত অনুষ্ঠিত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ দিক্‌দৰ্শন আৰু বিশেষ শিবিৰত যোগদান কৰা মহাবিদ্যালয়ৰ দলটি, ঠিয় হৈ বাওঁফালৰ পৰা ক্ৰমে ঃ কঙ্কন দত্ত, কৰেন্দ্ৰ কলিতা, ভবেন দত্ত, ৰাজীৱ চক্ৰৱৰ্ত্তী তথা মাজত বহি মহাবিদ্যালয় গোটৰ কাৰ্য্যসুচী বিষয়া শ্ৰীযুত দীনেশ লহকৰ।

"ৰঙিয়া মহাবিদ্যালয়" প্ৰাচীৰ পত্ৰিকা, উন্মোচনৰ মূহুৰ্ত্তত উপাধ্যক্ষ শ্ৰীযুত উমেশ চন্দ্ৰ গোস্বামী।



## ‘দেশমাতৃৰ’ সেৱাই যাৰ জীৱনৰ অৰ্থ




ৰঙিয়া মহাবিদ্যালয় এন. চি. চি. গোট।



**শ্বাহজালাল আলী,**
এই বছৰৰ এন. চি. চি. ৰ (B)
প্ৰমান পত্ৰ অধিকাৰী।

# ভিন্ন কলম



# शायरी

(१) ये शायरी न तुम्हे किसी किताब में मिलेगी।
ना किसो के खाते पें मिलेगी
जिसके दिल में मेरे जैसा दर्द हो
बस उसी के जुबा पे मिलेगी।

(२) तुम्हारी याद में इस कदर पागल हुँ
कि तुमको देखे बिना दिल को सुकुन नहीं
दुनिया की दी हुई हर सज़ा तो मजुँर है
मगर मुझे तुम्हारा इन्कार मजुँर नहीं।

(३) दिल मे जो दर्द है
वो हम तुम्हे चेहरे पर कैसे दिखाए।
ख़ुद को तो भुला दे मगर
तुमको कैसे भुलायें।

(४) मेरी चाहत को युं ना ठुकराओ जानम
मैंने दिल के आगँन में तुम्हारी तस्वीर सजायी है
दुनिया की हर ज़ंज़ीर तोड़ के आजा
खुदा ने तुझे मेरे लिएही बनाया है।

(५) वो हमें अपना न सके
हमें उनसे कोई शिकायत नहीं
हमें उनका प्यार मिल सके
शायद हमै ऐसी कोई काबिलियत ही नहीं।

(६) चाँद के बिना चाँदनी नहीं होती ।
जैसे चिंगारी के बिना आग
हम कभी शायर न बनते
अगर हम से बेवफाई न करते आप।

अनुज लहकर

..............

(७) मीट गये मीटने वाले
अब पैगाम आये तो क्या ?
दिल की बर्बादी के बाद,
उनका सलाम आये तो क्या।

(८) बड़ी मुश्किल मे हुँ
कैसे ईज़हार करु
तुम तो ख़ुशबु हो
कैसे तुम्हे मैं गिरफतार करु।

(९) मोहब्बत करने वाले कभी मरते नहीं
ज़िदा दफ़न की जाती है
कबर खोद के देखो,
वो किसके इनतजार मे है।

आलीकुर रहमान

...........

(१०) ना हसंना मेरी शायरीयों पे यारों
क्योकि ये तो शायरी है ही नहीं
ये तो केवल दो अक्षर है।
शायर जैसी काबिलियत
मुझमें हैं ही नहीं।

(११) कौन हो तुम कहाँ से आये हो
जो भी हो तुम, जहाँ से भी आये हों
तुमको देखकर ऐसा लगता है
तुम ही मेरी चाहत हो तुम ही मेरी जिन्दगी हो।

अशुत कलिता

..............





# ঃ কৌতুক ঃ

❑ ঃ আপুনি এই মেকুৰীটো বিক্ৰী কৰাৰ সময়ত কৈছিল, ই নিগনিৰ বাবে বৰ ভাল হ'ব। কিন্তু ই দেখোন নিগনিৰ ওচৰকে নাচাপে।

☞ ঃ সেইটো নিগনিৰ বাবে ভাল নহয় জানো? দোকানীৰ উত্তৰ।

❑❑❑❑

❑ স্বামী ঃ (পত্নীৰ প্ৰতি) হেৰা, তোমাৰ জন্মদিন উপলক্ষে এই নেক্‌লেচডাল আনিলোঁ। লোৱা।

☞ পত্নী ঃ কিন্তু মইতো মাৰুতী গাড়ীহে বিচাৰিছিলোঁ।

❑ স্বামী ঃ জানো। কিন্তু কথা হ'ল পৃথিৱীৰ ক'তো নকল মাৰুতী গাড়ী পোৱা নাযায়।

❑❑❑❑

❑ · হাজৰিকাৰ নৱবিবাহিতা পত্নীৰ হাতে ৰন্ধা খায় উঠি তেওঁৰ বন্ধু বৰ্গই কৈ উঠিল - তৰকাৰী বৰ ভাল হৈছে। মাংসৰ আঞ্জাখন বেচ সোৱাদ লগা হৈছে। কথা শুনি ন-কইনাই লাজ লাজ কৈ মাত লগালে-

☞ ঃ মাংসৰ আঞ্জাখন আৰু সোৱাদ হ'লহেঁতেন মচলা পিহিবলৈ ঘৰত পটা এখনো নাই। মছলা আদা আদি দাঁতেৰেহে থেতেলি দিব লগা হৈছে।

❑❑❑❑

❑ চাকৰ ঃ (খঙত) দেউতা, মই আৰু ইয়াত কাম কৰিব নোৱাৰিম। মোৰ যি পাওঁনা হিচাব কৰি দি দিয়ক।

☞ গৃহস্থ ঃ কিয়? কি হ'ল তোৰ? তোৰ ইয়াত কি অসুবিধা হৈছে?

❑ চাকৰ ঃ দেউতা, মালিকীনী বাইদেউ মোৰ লগত ভাল ব্যৱহাৰ নকৰে। যেতিয়া তেতিয়াই আপোনাৰ লগত যেনে ব্যৱহাৰ কৰে ঠিক মোৰ লগতো তেনে ব্যৱহাৰ কৰে। তেওঁ আপোনাৰ আৰু মোৰ ভিতৰত একো পাৰ্থক্যই বিচাৰি নাপায়।

সংগ্ৰহক ঃ গুণীন শালৈ

স্নাতক, ২য় বৰ্ষ (কলা)

❑ মই তোমাৰ অবিহনে থাকিব নোৱাৰো দিলীপ, মৌচুমীয়ে আবেগেৰে ক'লে।

☞ ঃ মই দিলীপ নহয়, ৰাজেশহে। ৰাজেশে আচৰিত হৈ ক'লে।

❑ ঃ ছৰি ডালিং, মই আজি সোমবাৰ বুলি ভাবি আছিলোঁ।

☞ মৌচুমীয়ে স্পষ্টীকৰণ দিলে।

❑ ঃ সৰ্বনাশ ! আজি সোমবাৰ নহয় নেকি? মৰিলোঁ আজি বিদিশাৰ পৰা বহুত গালি শুনিব লাগিব।

❑❑❑❑

❑ কেবাবাৰো কোনোবাই দুৱাৰত নক কৰি থকাত গৃহস্থই দুৱাৰ খুলি দেখে এটা ভিক্ষাৰী ৰৈ আছে।

☞ গৃহস্থ ঃ ঐ কি লাগে তোক?

❑ ভিক্ষাৰী ঃ ভিক্ষা দিয়ক মালিক।

☞ গৃহস্থ ঃ তই মোৰ দুৱাৰত নক কৰি ভিক্ষা বিচাৰিছ কিয়?

❑ ভিক্ষাৰী ঃ নিবিচাৰিলে আপুনি মোৰ দুৱাৰত নক কৰি ভিক্ষা দি আহিবগৈ নে কিবা?

❑❑❑❑

❑ এখন পাগলা ফাটেকৰ ভিতৰত এটা পুখুৰীত এটা পাগল পৰিল। সি সাতুৰিব নজনা বাবে ডুবিবলৈ ধৰিলে। তাক বিপদত পৰা দেখি আন এজন পাগলে পুখুৰীত জাপ দি তাক পুখুৰীৰ পৰা তুলি আনিলে। তাৰ সাহসিকতা দেখি পগলা ফাটেকৰ ডাক্তৰে সুখী হৈ তাক প্ৰশংসা কৰি কলে- "তুমিতো সম্পূৰ্ণ সুস্থ হৈছা। তোমাক কিয় যে ইয়াত ৰখা হৈছে।"

☞ ঃ ময়োতো এই কথাই কওঁ। কিন্তু কোনে শুনে মোৰ কথা? পাগলটোৱে কলে।

❑ ঃ বাৰু তুমি যে বচালা সেইজন ক'ত? তাক দেখোন ইয়াত দেখা নাই?

☞ ঃ ডাক্তৰ বাবু সি পানীত তিতি গৈছিল। সেয়ে তাক শুকাবলৈ মই গছত ওলোমাই থৈ আহিছোঁ।

সংগ্ৰহক ঃ ৰুমী কলিতা

স্নাতক, ২য় বৰ্ষ (কলা)

❑❑❑❑



## হাঁহো - আহাঁ



এখন বিদ্যালয়ৰ শিক্ষক শ্ৰেণীলৈ আহি ছাত্ৰ-ছাত্ৰীক ছবি আকিবলৈ দি টেবুলত ভৰি তুলি চকীত মূৰ উঠাই ঘোৰ টোপনি গ'ল। ইফালে ডি, আই, প্ৰণৱ ডেকা আহি কোঠাত সোমাল। ছাত্ৰ-ছাত্ৰীয়ে চিঞৰিলে মহাশয়, স্কুল চাবলৈ ডি, আই, আহিছে। তেতিয়া শিক্ষকে ক'বলৈ ধৰিলে যে, মই তহঁতক ৰামায়ণৰ সাধু পঢ়াই আছিলোঁ আৰু কুম্ভকৰ্ণই ছমাহ টোপনী কেনেকৈ গৈছিল তাকে মই তহঁতক প্ৰেক্টিকেল কৰি দেখুৱালোঁ। ছাৰ, মই সিহঁতক মাজে-সময়ে এনেকৈ দেখুৱাওঁ। ডি, আই, প্ৰণৱ ডেকাই তেওঁক ওপৰ শ্ৰেণীলৈ প্ৰমোচন দি গুচি গ'ল।

শ্ৰীঅচ্যুত কলিতা

স্নাতক দ্বিতীয় বৰ্ষ (কলা)

❑❑❑❑





# আমি জানো আহক আৱিষ্কাৰ আৰু আৱিষ্কাৰকৰ নাম

শ্ৰীপ্ৰফুল্ল কলিতা

স্নাতক, ২য় বৰ্ষ (কলা)

| আৱিস্কাৰ | আৱিস্কাৰক | দেশ | চন |
|---|---|---|---|
| ৰেলইঞ্জিন | ষ্টিফেনশ্যান | ইংলেণ্ড | ১৮২০ |
| দূৰবীক্ষণ | লিপাৰচি | হলেণ্ড | ১৬০৮ |
| অনুবীক্ষণ | লিউৱেন হুক | হলেণ্ড | ১৬৭৫ |
| থাৰ্মোমিটাৰ | ফৰেণহাইট | ডানজিগ | ১৮১৪ |
| ঘড়ী | চিনভেষ্টাৰ | ফ্ৰান্স | ৯৯৬ |
| চশ্‌মা | স্পিনা | ইটালী | ১৮১৬ |
| দিয়াচলাই | জন ওৱাকাৰ | ইংলেণ্ড | ১৮২৭ |
| মটৰ গাড়ী | ডেইন মাৰ | জাৰ্মান | ১৮৮৪ |
| টেলিফোন | গ্ৰাহামবেল | আমেৰিকা | ১৮৭৬ |
| গ্ৰামোফোন | এডিচন | আমেৰিকা | ১৮৭৭ |
| কেমেৰা | ইষ্টম্যান | আমেৰিকা | ১৮৮৮ |
| মেচিনগান | আৰ. জি. গেটলিং | আমেৰিকা | ১৮৬১ |
| বাইচাইকেল | ম্যাক মিলিয়ান | স্কটলেণ্ড | ১৮৩৯ |
| ৰেডিঅ' | মাৰ্কনী | ইটালী | ১৮৯৬ |
| টেলিভিচন | জন বেয়াৰ্ড | স্কটলেণ্ড | ১৯২৫ |
| চিনেমা | এডিচন | আমেৰিকা | ১৮৯৩ |
| আনবিক বোমা | হেৰ অটোহ্যান | ইংলেণ্ড | ১৯০৮ |



# স্মৃতি-বিস্মৃতি

সংগ্ৰাহক ঃ শ্ৰীহেমেন কলিতা

(১) কবি গুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰেও আমাৰ দেশৰ বাহিৰেও আন এখন দেশৰ ৰাষ্ট্ৰীয় সংগীত ৰচনা কৰিছে। দেশখনৰ নাম কি বাৰু?

উত্তৰ ঃ বাংলাদেশ

(২) কোন গৰাকী ভাৰতীয় ক্ৰিকেট খেলুৱৈক "হাৰিয়ানা হাৰিকেন" বুলি অভিহিত কৰা হৈছিল?

উত্তৰ ঃ কপিলদেৱ ৰামলাল নিখাঞ্জ।

(৩) এভাৰেষ্ট শৃংগ বিজয় কৰা বিশ্বৰ প্ৰথম গৰাকী মহিলাৰ নাম কি আৰু তেওঁ কোন দেশৰ?

উত্তৰ ঃ জুংকো তাবেই, জাপানৰ।

(৪) ৰঙালী বিহুত বিহুৱা নাচনীয়ে গগণা ব্যৱহাৰ কৰে? ই দুবিধ। নাম দুটা কি কি?

উত্তৰ ঃ লাহৰী (নাচনী) আৰু ৰামধন (বিহুৱা) গগণা।

(৫) গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য হোৱা বিদেশী লোকজন কোন আছিল?

উত্তৰ ঃ ডঃ এইছ জে টেইলৰ।

□□□□

# মুকুতা-মালা

"জ্ঞানৰ নিচিনা পবিত্ৰ বস্তু এই সংসাৰত আৰু নাই। যি জ্ঞানেই মানুহক সৎ কামত প্ৰবৃত্ত নকৰে, সি জ্ঞান নামৰ যোগ্য নহয়।"

- গীতা

"ঈশ্বৰৰ নাম অলেখ আছে। তাৰ ভিতৰত অন্বেষণ কৰিলে এটিনাম পোৱা যায়; সত্য। সেইবাবে সত্যইহে ঈশ্বৰ।"

-মহাত্মা গান্ধী

"ধৰ্মই বিধৱাৰ চকুলো মচিব নোৱাৰে বা মাউৰাৰ মুখত ৰুটিৰ যোগান ধৰিব নোৱাৰে, সেই ধৰ্মক মই বিশ্বাস কৰোঁ।"

-স্বামী বিবেকানন্দ

"ত্যাগ আৰু সাহসেৰে সমাজ সেৱা কৰি গৈ থাকা, নিজৰ জীৱনটোৰ প্ৰতি মোহ নানিবা, ইয়ে তোমাক দেৱত্বলৈ নিব।"

- মহীয়সী অমল প্ৰভা দাস

"সংসাৰত সকলো বস্তু গাৰ বলেৰে, ধনেৰে সংগ্ৰহ কৰিব পাৰি, কিন্তু জ্ঞান সেইদৰে আৰ্জি ল'ব নোৱাৰি, তাৰ বাবে লাগে একান্ত অধ্যয়ন।"

-জনশ্ৰুতি

সংগ্ৰহক ঃ কৰেন্দ্ৰ কলিতা
স্নাতক, ২য় বৰ্ষ (কলা)

□□□□





ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

## । উপ সভাপতিৰ প্ৰতিবেদন ।

।। ইং ১৯৯৮-৯৯ চন ।।



**শ্ৰদ্ধাঞ্জলি ঃ-**

'মাতৃভূমিৰ স্থায়ীত্ব আৰু 'অস্তিত্ব ৰক্ষা কৰাটো এটি মহৎ কামেই নহয়, ই এটি দুঃসাহসীক আত্মোৎসৰ্গাও।' চিৰ চেনেহী অসমী আই হত্যা, লুণ্ঠন, ধৰ্ষণ, শোষণ আদিৰ পৰা আজি কুৰি শতিকাৰ শেষ মুহূৰ্ততো মুক্ত হ'ব পৰা নাই। গুলি বাৰুদৰ ধোঁৱাই ছানি ধৰা এখনি ক'লা ডাৱৰে আবৃত আকাশেৰে আমি আদৰিবলৈ আগবাঢ়িছোঁ এটি নতুন শতিকাক। ভাৰতবৰ্ষৰ স্বাধীনতাৰ সোণালী জয়ন্তী সমাৰোহৰ সামৰণিৰ বেলি মাৰ নৌযাওঁতেই দেশে আকৌ নতুন নতুন সমস্যাত ভূগিব লগা হৈছে। মোৱা কাৰ্গিল যুদ্ধৰ ফলত সৃষ্টি হোৱা সমস্যাও আটাইৰে বিদিত। দেশ মাতৃয়ে নিজৰ স্থায়ীত্ব আৰু অস্তিত্ব ৰক্ষাৰ বাবে আজিলৈ অসংখ্য সুযোগ্য সন্তানক হেৰুৱাইছে। তেওঁলোকৰ তেজেৰে ৰাঙলী জাতীয় পতাকাই আজিও নতুন প্ৰজন্মক দেশপ্ৰেমৰ ভাৱনাৰে অনুপ্ৰাণিত কৰি আহিছে। প্ৰতিবেদনৰ প্ৰাক্‌মুহূৰ্ত্তে নামী, অনামী বীৰ শ্বহীদ সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ।

ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, ৰঙিয়াৰ এটি উজ্বল নক্ষত্ৰ স্বৰূপ ঁড°নীলকান্ত মহন্তদেৱ আৰু ৰঙিয়া মহাবিদ্যালৰ অন্যতম প্ৰতিষ্ঠাতা তথা কৰ্মকৰ্তা মাননীয় ঁদুৰ্গাদত্ত আগৰৱালা দেৱলৈও মোৰ সশ্ৰদ্ধা প্ৰণিপাত জনাইছোঁ। লগতে ৰঙিয়া অঞ্চলৰ বৃহৎ শিক্ষানুষ্ঠান 'ৰঙিয়া মহাবিদ্যালয়' স্থাপন কৰি, যি সকলে নিজৰ শ্ৰম আৰু মহান ত্যাগ কৰিছিল, সেই সকল জ্ঞাত-অজ্ঞাত চিৰ নমস্য ব্যক্তিলৈও মোৰ শ্ৰদ্ধা যাচিছোঁ।

**ৰঙিয়া মহাবিদ্যালয় ঃ-**

কেইজনমান চিৰ পূজ্য ব্যক্তিৰ অশেষ শ্ৰম আৰু সাধনাৰে ১৯৬৩ চনত স্থাপিত 'ৰঙিয়া মহাবিদ্যালয়' ৰঙিয়াকে সাঙুৰি প্ৰায় ২০/৩০ কিঃ মিঃ ব্যাসাৰ্দ্ধৰ এটি বৃহৎ অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান। সদ্যহতে দুই এখন নতুন নতুন শিক্ষানুষ্ঠানৰ জন্ম হৈ আছে, যদিও এই মহাবিদ্যালয়ে জন্মৰ পৰাই এক স্বকীয় ঐতিহ্য বহন কৰি আহিছে। ৰঙিয়া অঞ্চলৰ শৈক্ষিক আৰু বৌদ্ধিক চিন্তা চৰ্চাৰ প্ৰধান কেন্দ্ৰ 'ৰঙিয়া মহাবিদ্যালয়' কেৱল এখন জ্ঞান চৰ্চা বা শিক্ষা